No. of Printed Pages—4

437N (ASB2)

[20-HKPGDEN–M2S(N)21J]

MA 2nd Semester (New) Exam., 2020

ASSAMESE

[PGAS-S2-01]

[অসমীয়া সাহিত্যৰ বুৰঞ্জী (অৰুণোদয় যুগৰ পৰা যুদ্ধোত্তৰ যুগলৈ)]

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ লিখক : 1×8=8

(i) সত্যেন্দ্ৰনাথ শৰ্মাই ১৮৭৩ চনৰ পৰা ১৮৮৮ চনৰ অসমীয়া সাহিত্যৰাজিক কি নামেৰে নামকৰণ কৰিছিল ?

(ii) বিশ্বেশ্বৰ বৈদ্যাধিপে ৰচনা কৰা বুৰঞ্জীখনৰ নাম কি ?

(iii) আউনীআটী সত্ৰৰ পৰা ১৮৭৩ চনত প্ৰকাশ পোৱা আলোচনীখনৰ নাম লিখক।

(iv) কোনখন নাটকেৰে অসমীয়া ঐতিহাসিক নাটকৰ ধাৰা শুভাৰম্ভ হয় বুলি কোৱা হয় ?

(v) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই কিমান চনৰ পৰা কিমান চনলৈ 'ৰামধেনু' আলোচনীখনৰ সম্পাদনাৰ ভাৰ গ্ৰহণ কৰিছিল ?

(vi) সমীৰ তাঁতীয়ে ৰচনা কৰা দুখন কাব্যপুথিৰ নাম লিখক।

(vii) হৰেকৃষ্ণ ডেকাই লিখা উত্তৰ-আধুনিকতাবাদী ধাৰাৰ দুটি চুটিগল্পৰ নাম লিখক।

(viii) অসমীয়া সাহিত্যৰ সব্যসাচী পণ্ডিত বুলিলে কাক বুজে ?

(b) শুদ্ধ উত্তৰটো নির্বাচন কৰক : 1×4=4

(i) তলত উল্লেখ কৰা কোনখন গ্ৰন্থ নগেন শইকীয়াই ৰচনা কৰা নহয় ?

(1) বন্ধ কোঠাৰ ধুমুহা

(2) আন্ধাৰত নিজৰ মুখ

(3) অস্তিত্বৰ শিকলি

(4) শুভবার্তা

(ii) হোমেন বৰগোহাঞিয়ে কিমান চনত 'সাহিত্য অকাদেমি বঁটা' লাভ কৰিছিল ?

(1) ১৯৭৮

(2) ১৯৭৯

(3) ১৯৭৭

(4) ১৯৭৬

(iii) শ্ৰীমতী এইচ. বি. এ. কট্টাৰে লিখা কিতাপখনৰ নাম হ'ল

(1) ৰথৰ বিৱৰণ

(2) নিস্তাৰৰ উপায়

(3) অসমীয়া শব্দ বাক্যকোষ

(4) উজু পাঠ

(iv) 'আসাম বন্ধু' প্ৰকাশ পাইছিল

(1) ১৮৮৪ চনত

(2) ১৮৮৬ চনত

(3) ১৮৮৫ চনত

(4) ১৮৮৭ চনত

(Continued)

(c) খালী ঠাঁই পূৰ কৰক : 1×4=4

(i) ভোলানাথ দাসে ৰচনা কৰা 'সীতা হৰণ কাব্য'খন পোনপ্ৰথমে _____ কাকতত প্ৰকাশ পাইছিল।

(ii) _____ আলোচনীখনৰ জৰিয়তেই লক্ষ্মীনাথ বেজবৰুৱাই 'কৃপাবৰ বৰুৱা' নামেৰে বিখ্যাত হৈ উঠে।

(iii) ৰঘুনাথ চৌধাৰীৰ কবিতাত দুটা ধাৰা স্পষ্ট, _____ আৰু _____।

(iv) পদ্মনাথ গোহাঞিবৰুৱাৰ আত্মজীৱনীখনৰ নাম হ'ল _____।

2. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) সাম্প্ৰতিক কালৰ (১৯৯০–২০০০) লোকজীৱনসমৃদ্ধ কবিতাৰ ধাৰাটোৰ বিষয়ে এটি টোকা লিখক।

(b) দেৱব্ৰত দাসৰ গল্প সম্পৰ্কে লিখক।

(c) হেমাঙ্গ বিশ্বাসৰ কবিতা সম্পৰ্কে আলোচনা কৰক।

(d) 'বাঁহী' আলোচনীৰ দুটি উল্লেখযোগ্য বৈশিষ্ট্য উল্লেখ কৰক।

(e) 'মৌ' আলোচনীখনৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীত স্থান নিৰূপণ কৰক।

(f) প্ৰাক্-অৰুণোদই স্তৰৰ অসমীয়া সাহিত্য সম্পৰ্কে চমুকৈ লিখক।

3. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) 'আসাম বিলাসিনী' সম্পৰ্কে এটি চমু আলোচনা প্ৰস্তুত কৰক।

(b) অসমীয়া সাহিত্যলৈ 'ঊষা' আলোচনীৰ অৱদান বিশ্লেষণ কৰক।

(c) ৰামধেনু যুগৰ নাৰী গল্পকাৰসকলৰ বিষয়ে চমুকৈ লিখক।

(d) ১৯৭০–১৯৯০ চনৰ অসমীয়া নাটক সম্পৰ্কে আলোচনা কৰক।

(e) সাম্প্ৰতিক অসমীয়া চুটিগল্পত ব্যৱহৃত কলা-কৌশল সম্পৰ্কে চমুকৈ লিখক।

4. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) 'আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা'ৰ দ্বাৰা প্ৰকাশিত অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ বিষয়বস্তু বিভাজন সম্পৰ্কে লিখি প্ৰকাশিত খণ্ডকেইটাৰ বিষয়ে চমুকৈ লিখক।

(b) ১৯৭০–১৯৯০ চনৰ ভিতৰত ৰচিত অসমীয়া জীৱনী আৰু আত্মজীৱনী সাহিত্য সম্পৰ্কে বহলাই আলোচনা কৰক।

(c) ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ অসমীয়া সাহিত্যত স্থান নিৰূপণ কৰক।

(d) অসমীয়া ভাষাসাহিত্যলৈ মিছনেৰীসকলৰ অৱদান সম্পৰ্কে বহলাই আলোচনা কৰক।

5. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) জোনাকী যুগৰ প্ৰবন্ধ লেখকসকলৰ বিষয়ে আলোচনা কৰক।

(b) আৱাহন যুগৰ পটভূমি সম্পৰ্কে লিখি এই সময়ছোৱাৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য তথা ধাৰাসমূহৰ বিষয়ে এটি আলচ যুগুত কৰক।

(c) অসমীয়া সাহিত্যলৈ 'জয়ন্তী' কাকতৰ অৱদান বিশ্লেষণ কৰক।

(d) ''ৰামধেনু যুগে অসমীয়া সাহিত্যত কেইবাটাও নতুন ধাৰাৰ সৃষ্টি কৰিলে।'' কথাষাৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰক।

★★★